# পথ

তি তথা পুনৰ
হ। উক্ত পথত
দাৰগৰাকীয়ে
আধা কাম কৰি
কাৰণে আৰু
ড়ী অহা-যোৱা
ৰৰ তলৰ পৰা
বাজনো লোক
থছোৱাৰ কাম
দাবী উত্থাপন
হোৱাৰ লগতে
নীয় বিধায়কে
পন কৰিছে।

## ীৰে

# হাজোৰ সুৰেন দাস কলেজত আলোচনা-চক্ৰ

নিয়মীয়া বাৰ্তা, হাজো, ৯ এপ্ৰিল ঃ তীৰ্থনগৰী হাজোৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান সুৰেন দাস মহাবিদ্যালয়ত পৰহি মহাত্মা গান্ধী বিশ্ববিদ্যালয়ৰ উদ্যোগত এখন আলোচনা-চক্ৰ অনুষ্ঠিত হৈ যায়। হাজো সুৰেন দাস মহাবিদ্যালয়ৰ সহযোগত আৰু ড° ৰিণিমা বুজৰবৰুৱাই আঁত ধৰা 'প্ৰেজেণ্ট এমপ্লয়মেণ্ট স্কিনাৰিউ ইন নৰ্থ-ইষ্ট ইণ্ডিয়া' শীৰ্ষক আলোচনা-চক্ৰৰ পূৰ্বে আদৰণী ভাষণ দিয়ে সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই। আলোচনা-চক্ৰৰ বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি মহাত্মা গান্ধী বিশ্ববিদ্যালয়ৰ এলাইড হেলথ ছায়েন্সৰ মুৰব্বী অধ্যাপক ড° অভিষেক দাসে সম্প্ৰতি দেশত গা কৰি উঠা ভয়াবহ নিবনুৱা সমস্যাৰ পৰিপ্ৰেক্ষিতত নতুন নতুন ক্ষেত্ৰসমূহত নিয়োগৰ সন্ধান কৰিবলৈ শিক্ষাৰ্থী সমাজক আহ্বান জনায়। তদুপলক্ষে এনে নতুন ক্ষেত্ৰসমূহৰ শিক্ষাৰ্থীসকলে আত্মনিয়োগ কৰিবলৈ হ'লে কেনেকুৱা নতুন পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হ'ব লাগিব, তেনে কিছুমান নতুন পাঠ্যক্ৰমৰ সৈতে পৰিচয় কৰাই দিয়ে। আলোচনা-চক্ৰৰ অন্তত এক প্ৰশ্নোত্তৰ অনুষ্ঠানত মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে।

# মৰিগাঁৱত তিৱা স্বায়ত্ত পৰিষদৰ সভা